**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। বিগত বছৰকেইটাত ৮ কোটি নতুন কৰ্ম সংস্থাপনৰ সৃষ্টি হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২। বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত যদিও এতিয়াও ৰাজ্যৰ ২১ খন জিলাৰ প্ৰায় ৮ লাখ ৪০ হাজাৰতকৈ অধিক লোক বানৰ কবলত।

৩। অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ মন্ত্ৰালয়ৰ অসমক দ্বিতীয় স্থান প্ৰদান।

৪। উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত আজি ন'ভাক জ'ক'ভিচ কাৰ্লোছ অল্‌কাৰাজ্‌ৰ সন্মুখীন।

**আৰু**

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ আজি অন্তিমখন খেল।

০০০০০০

বিগত ৩-৪ বছৰত ৮ কোটি নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনহীনতাৰ বিষয়ে অপপ্ৰচাৰ চলোৱাসকলৰ মুখ বন্ধ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। মুম্বাইৰ গোৰেগাঁৱত কালি ২৯ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ পথ, ৰে'লৱে আৰু বন্দৰ খণ্ডৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ কৰ্মসংস্থাপন সম্পৰ্কীয় এখন প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰীমোদীয়ে কয় যে, দেশত দক্ষতা বিকাশ আৰু কৰ্মসংস্থাপনৰ আৱশ্যকতা আছে আৰু চৰকাৰে এই দিশত কাম কৰি আছে। তেওঁ কয় যে, অপপ্ৰচাৰ চলোৱাসকল প্ৰকৃততে বিনিয়োগ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু দেশৰ বিকাশৰ শত্ৰু। এন ডি এ চৰকাৰে সুস্থিৰতা আৰু বিকাশক অগ্ৰাধিকাৰ দি যাব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ক্ষুদ্ৰ আৰু বৃহৎ বিনিয়োগকাৰীসকলে এন ডি এৰ তৃতীয় কাৰ্যকালক উৎসাহেৰে আদৰণি জনাইছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সংবাদ মাধ্যমে জনকল্যাণকামী উদ্যমসমূহৰ প্ৰসাৰত চৰকাৰক সহায় কৰা উচিত। পৰিৱেশ সংৰক্ষণৰ বাবে আৰম্ভ কৰা **এজোপা গছ মাতৃৰ নামত** উদ্যমৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে, গোলকীয় পৰ্যায়ত এই উদ্যমৰ ভূয়ষী প্ৰশংসা কৰা হৈছে। সংবাদ মাধ্যমে এই উদ্যমক গণ আন্দোলনত পৰিণত কৰাত সহায় কৰিব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী ২৫ বছৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত বাতৰিকাকত আৰু আলোচনীসমূহৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, সংবাদমাধ্যমে জনসাধাৰণক তেওঁলোকৰ শক্তিৰ বিষয়ে সজাগ কৰি তোলে। মুম্বাইৰ বান্দ্ৰা কুৰ্লা চৌহদত কালি আই এছ টাৱাৰ মুকলি কৰাৰ পাছত এটা সমাৰেশক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিহেতু সম্প্ৰতি প্ৰায়বোৰ সংবাদ গোষ্ঠীৰে ডিজিটেল সংস্কৰণ

উপলভ্য সেয়েহে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় ভাষাৰ সংস্কৰণ প্ৰৱৰ্তন কৰি ভাৰতীয় প্ৰেক্ষাপটক গোলকীয় পৰ্যায়লৈ লৈ যোৱাৰ চেষ্টা কৰা উচিত।

০০০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২১ খন জিলাৰ প্ৰায় ৮ লাখ ৪০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৬১টা ৰাজহ চক্ৰৰ এহেজাৰ ৭০৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ২৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। কালি ধেমাজি জিলাত বানৰ ফলত পুনৰ এজন লোকে প্ৰাণ হেৰুৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯১ লৈ বৃদ্ধি হৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২২১টা আশ্ৰয় শিবিৰত ৩৬ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। বিভিন্ন জিলাত প্ৰশাসনে বানৰ ক্ষয়-ক্ষতি সন্দৰ্ভত পৰ্যালোচনা অব্যাহত ৰাখিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনৰ সন্মিলন কক্ষত শিক্ষা বিভাগৰ অধীনত ৪১ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদানৰ উদ্দেশ্যে নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৪১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৪ মাৰ্চ পৰ্যন্ত ৰাজ্য চৰকাৰে ৯৭ হাজাৰ ৪৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

সম্পূৰ্ণতা অভিযানৰ অধীনত গৰ্ভৱতী আৰু প্ৰসূতি মহিলাৰ পৰিপুষ্টিৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত সম্পূৰ্ণতা অভিযান আৰু পৰিপুষ্টি শীৰ্ষক আলোচনাত অংশগ্ৰহণ কৰি নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ মৌচুমী কৃষ্ণাত্ৰেয়ই এইদৰে কয়। সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সংবাদ মাধ্যমে উল্লেখযোগ্য ভূমিকা পালন কৰাৰ লগতে গাঁও তথা উন্নয়নখণ্ডসমূহত সজাগতা সভা, স্বাস্থ্য পৰীক্ষা শিবিৰ, বাটৰ নাট আদিৰ আয়োজন কৰিও সজাগতা সৃষ্টি কৰিব পাৰি বুলি তেওঁ উল্লেখ কৰে। আনহাতে পৰিপুষ্টিৰ বাবে গৰ্ভৱতী আৰু প্ৰসূতিসকলক খাদ্য যোগানৰ ধাৰাবাহিকতা ৰক্ষা হোৱাৰ লগতে তেওঁলোকে সেইবোৰ সঠিকভাৱে গ্ৰহণ কৰাটো নিৰীক্ষণ কৰাৰ প্ৰয়োজন বুলিও তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত তেনে মহিলাসকলক সহজে উপলভ্য খাদ সামগ্ৰি খাবলৈ উপদেশ দিয়া উচিত বুলিও তেওঁ মন্তব্য কৰে। আনহাতে গৰ্ভৱতী মহিলাসকলে পঞ্জীয়নভুক্ত হৈ নিয়মিত স্বাস্থ্য পৰীক্ষা কৰাটো প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ মন্ত্ৰ্যালয়ে যোৱা ১ জুলাইৰ পৰা ১১ জুলাইলৈকে বিভিন্ন বিভাগৰ অভিযোগ নিষ্পত্তিৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা তালিকাৰ তথ্য সামাজিক মাধ্যমযোগে প্ৰকাশ কৰি জনসাধাৰণৰ অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত অসম শীৰ্ষ প্ৰদৰ্শনকাৰী ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে অসমে এই সময়ছোৱাত ৩ হাজাৰ ১৯২টা অভিযোগ নিষ্পত্তি কৰিবলৈ সক্ষম হৈছে। অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত উত্তৰ প্ৰদেশে শীৰ্ষ স্থান লাভ কৰিছে।

০০০০০০

আয়কৰ বিভাগে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে প্ৰত্যক্ষ কৰ হিচাপে ৬ লাখ ৪৫ হাজাৰ কোটি টকাতকৈ অধিক ধন সংগ্ৰহ কৰাৰ লগতে চলিত মাহৰ এঘাৰ তাৰিখলৈকে ৭০ হাজাৰ ৯০২ কোটি টকা ঘুৰাই দিছে। এই সম্পৰ্কত আয়কৰ বিভাগে প্ৰকাশ কৰা তথ্যত মুঠ সংগ্ৰহৰ প্ৰায় ২ লাখ ৬৫ হাজাৰ টকা কৰ্পৰেট কৰ, ৩ লাখ ৬১ হাজাৰ টকা ব্যক্তিগত আয়কৰ আৰু এহেজাৰ ৪২৪ কোটি টকা অন্যান্য শিতানত সংগ্ৰহ কৰা হৈছে। উল্লেখযোগ্য যে প্ৰত্যক্ষ কৰ সংগ্ৰহত চলিত বিত্তীয় বৰ্ষত পূৰ্বৰ তুলনাত প্ৰায় ২০ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ পৰিমাণ ৫ লাখ ৭৪ হাজাৰ কোটি টকাৰ অধিক। বিগত বিত্তীয় বৰ্ষত একে সময়ত প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ ৪ লাখ ৮০ হাজাৰ কোটি টকা আছিল। উল্লেখযোগ্য যে অহা ২২ জুলাইৰ পৰা সংসদত বাজেট অধিবেশন আৰম্ভ হ'ব। বাজেট অধিবেশনৰ দ্বিতীয় দিনা অৰ্থাৎ ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৪-২৫ বৰ্ষৰ বাবে সম্পূৰ্ণ বাজেট দাখিল কৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০৩০ চনৰ ভিতৰত নৱীকৰণযুক্ত শক্তিৰ জৰিয়তে ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ লগতে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযান নামেৰে এখন অভিলাষী আঁচনি গ্ৰহণ কৰিছে। অসম প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড০ জয়দীপ বৰুৱাই কালি যোৰহাট বিজ্ঞান চ'ৰাৰ ৰূপালী জয়ন্তী বৈঠকত অংশগ্ৰহণ কৰি কয় যে, এই আঁচনিৰ অধীনত দেশৰ ছয় লাখ নিবনুৱাই কৰ্মসংস্থাপন লাভ কৰিব। অসমত সেউজ হাইড্ৰ'জেন, সম্ভাৱনা আৰু প্ৰত্যাহ্বান শীৰ্ষক বক্তৃতা প্ৰদান কৰি শ্ৰী বৰুৱাই অসমতো

সেউজ হাইড্ৰ'জেন উৎপাদন গোট ইতিমধ্যে আৰম্ভ হৈছে বুলি উল্লেখ কৰে। পাঁচ নিযুত মেট্ৰিকটন সেউজ হাইড্ৰ'জেন উৎপাদনৰ যোগেদি বছৰি ৫০ নিযুত মেট্ৰিকটন সেউজ গৃহ গেছ হ্ৰাস কৰিব পাৰি বুলি শ্ৰী বৰুৱাই উল্লেখ কৰে। আনহাতে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানতে বিজ্ঞান চ'ৰাৰ ২৫টা আলোচনাৰ সংকলনৰূপে প্ৰকাশ কৰা **চিন্তন** নামৰ গ্ৰন্থখন অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই উন্মোচন কৰে। ইপিনে এই অনুষ্ঠানৰ লগতে ৰাজ্য চৰকাৰৰ এছটেক আৰু বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠ পোষকতাত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ উদ্যোগত অনুষ্ঠিত পাঁচ দিনীয়া ৰব'টিক আৰু ইলেকট্ৰনিক্স প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানো সম্পন্ন হয়।

০০০০০০

অসম পেৰা অলিম্পিক সংস্থাই ২০২৬ চনৰ পেৰা এছিয়ান গেমছ আৰু ২০২৮ চনৰ পেৰা অলিম্পিকলৈ ৰাজ্যৰ খেলুৱৈসকলক সাজু কৰাৰ লক্ষ্যৰে প্ৰথম পৰ্যায়ৰ প্ৰস্তুতি শিবিৰ আৰম্ভ কৰাৰ বাবে পদক্ষেপ হাতত লৈছে। উল্লেখযোগ্য যে বিগত সময়ছোৱাত অসমৰ পেৰা ক্ৰীড়াবিদসকলে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এই অনুযায়ী চীনত অনুষ্ঠিত পেৰা এছিয়ান গেমছত আনোৱাৰ ছিকদাৰে ভাৰতীয় সাঁতোৰ দলক প্ৰতিনিধিত্ব কৰিছিল। ইটালীত অনুষ্ঠিত বিশ্ব পেৰা চেম্পিয়নতো খেলুৱৈগৰাকীয়ে দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছিল। অসমৰ পেৰা সাঁতোৰবিদসকলৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সফলতাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ ৰাজ্যিক সংস্থাটোৱে ছগৰাকীক খেলুৱৈক জাপানত হ'বলগীয়া পেৰা এছিয়ান গেমছ আৰু আমেৰিকাত হ'বলগীয়া পেৰা অলিম্পিকলৈ সাজু কৰাৰ লক্ষ্যৰে উন্নত প্ৰশিক্ষণ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যেৰে সংস্থাটোৱে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ সৈতে এখন চুক্তি সম্পন্ন কৰিছে। চুক্তি অনুসৰি ৰাজ্যৰ ৬ গৰাকী নিৰ্বাচিত পেৰা সাঁতোৰবিদক এবছৰৰ বাবে অৰ্থাৎ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কাৰণে অনুশীলনৰ সকলো ব্যয় ষ্টেট বেংক অৱ ইণ্ডিয়াই বহন কৰিব। চুক্তি অনুসৰি ধুনু টাও, আনোৱাৰ ছিকদাৰ, কৃষ্ণ দাস, য়েছমিনা খাতুন, ছাজিদা বেগম আৰু প্ৰীতি দাসক অনুশীলনৰ বাবে নিৰ্বাচন কৰা হৈছে।

০০০০০০

সাতবাৰৰ চেম্পিয়ন ন'ভাক জ'ক'ভিচ আজি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ অল্কাৰাজ্‌ৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব।

ইপিনে, মিক্সড ডাবলছৰ ফাইনেলত আজি পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ ছুৱেই ছিহৰ যুটীটো মেক্সিকোৰ ছেণ্টিয়াগো গোঞ্জাল্বেজ আৰু গুলীয়ানা আল্মোছৰ মুখামুখি হ'ব।

ইফালে, চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভাই কালি ইটালীৰ জেছমিন পাঅ'লিনিক ৬-২, ২-৬, ৬-৪ ছেটত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰে।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজত পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল আজি হাৰাৰে স্পৰ্টছ ক্লাৱত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে শৃংখলাত ৩-১ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।

ভাৰতে কালি একেখন ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত জিম্বাব'ৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা

উইকেট হেৰুৱাই ১৫২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৫ অভাৰ আৰু দুটা বলত এটাও উইকেট নেহেৰুৱাকৈ ১৫৬ ৰান কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অপেনাৰ যশস্বী জয়ছোৱালে ৯৩ আৰু শুভমন গিলে ৫৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। যশস্বী জয়ছোৱালক মেন অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

অসম টেনিছ সন্থাৰ উদ্যোগত কালিৰে পৰা গুৱাহাটীত অনুষ্ঠিত হোৱা অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ প্ৰথম দিনা কোৱালিফায়িং ৰাউণ্ডৰ খেল অনুষ্ঠিত হয়। ল'ৰা আৰু ছোৱালীৰ ১২ আৰু ১৪ বছৰ অনূৰ্ধৰ প্ৰতিযোগিতাখনত ছোৱালীৰ ১২ অনূৰ্ধৰ শাখাত কোৱালিফায়িং মেচ অনুষ্ঠিত হ'বলৈ বাকী আছে। কালি প্ৰথম দিনাৰ খেলত ছোৱালীৰ ১৪ বছৰ অনূৰ্ধৰ শাখাত সকলো কোৱালিফায়িং মেচ অনুষ্ঠিত হৈছে। সেই অনুসৰি ৰিয়া বড়ো, আয়ান্যা বৰা, আৰিয়ানা কাকতি, নন্দিনী আমছি, ধানিস্কা মহন্ত আৰু আলবিৰা খানমে কোৱালিফায়িঙৰ ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। ইপিনে আজি পুৱাৰে পৰা ল'ৰাৰ ১২ আৰু ১৪ বছৰ অনূৰ্ধৰ কোৱালিফায়িঙৰ ফাইনেলৰ ৰাউণ্ডৰ মেচসমূহ অনুষ্ঠিত হ'ব বুলি অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জানিবলৈ দিছে। উল্লেখযোগ্য যে আয়োজক অসমকে ধৰি দেশৰ ১৩ খন ৰাজ্যৰ প্ৰায় ১৫০ খেলুৱৈয়ে প্ৰতিযোগিতাখনত যোগদান কৰিছে।

০০০০০০

কালি ঘোষিত ৭ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত দহ খন আসনত ইণ্ডিয়া মৰ্চাই জয় লাভ কৰাৰ লগতে NDA মৰ্চাই ২ খন আসন লাভ কৰাৰ বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে ১২ বছৰৰ পাছত বিদেশী ঘোষিত নলবাৰী জিলাৰ ৰহিম আলীক উচ্চতম ন্যায়ালয়ে ভাৰতীয় ঘোষণা কৰা সন্দৰ্ভত প্ৰথম পৃষ্ঠাত এটা বাতৰি পৰিৱেশন কৰিছে। ২০২১ চনৰ নিৰ্বাচনত টিকটৰ নামত অসম গণ পৰিষদ দলত ব্যাপক ধনৰ লেনদেন হোৱাৰ অভিযোগ উত্থাপন কৰিছে অগপৰ হাইলাকান্দি জিলাৰ প্ৰাক্তন সভাপতি আফতাবুদ্দিন লস্কৰে। এই বাতৰিক দৈনিক জনমভূমি আৰু দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যত ১৪ হাজাৰ তৃতীয় চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে ১৮ লাখ প্ৰাৰ্থীয়ে আবেদন কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। তাপপ্ৰৱাহ, অতি বৃষ্টিত উৎপাদন হ্ৰাসে সৰ্বসাধাৰণৰ দৈনন্দিন জীৱনলৈ সংকটৰ সৃষ্টি কৰি খুচুৰা বজাৰত সামগ্ৰিক দাম ৫ শতাংশলৈ বৃদ্ধি হৈছে। এই সন্দৰ্ভত নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। তিব্বতৰ অধিকাৰক সমৰ্থন জনোৱা ঐতিহাসিক আইনত আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বিডেনে অনুমোদন জনোৱা সন্দৰ্ভত The Sentinel কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৰুজনাৰ নামত প্ৰৱৰ্তিত শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজেপি চৰকাৰে বন্ধ কৰাৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয় পৰিষদৰ নেতা জগদীশ ভূঞাই। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।ডিমৌ সমষ্টিৰ বিজেপি বিধায়ক সুশান্ত বৰগোহাঁইৰ বিৰুদ্ধে সামাজিক মাধ্যমত দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ বিশ্বজিৎ কোঁৱৰ আৰক্ষীৰ ৰোষত পৰা সন্দৰ্ভত অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে ২২ জুলাইৰ পৰা ৰাজ্যৰ টিউটৰ শিক্ষকৰ আন্দোলন, সাত ৰাজ্যৰ বিধানসভাৰ উপ নিৰ্বাচনৰ ফলাফলত উদিগ্ন মুখ্যমন্ত্ৰী, ৰাজ্যিক নেতৃত্ব, অসন্তুষ্ট নেতাক সৈমান কৰাবলৈ তৎপৰতা বৃদ্ধি, পকী কুৱাৰ সন্দেহ, ডুমডুমাত ক্লক টাৱাৰৰ লগতে থাকিব নতুন গান্ধীমূৰ্তি, এবছৰত দেশত এক লাখ এক সত্তৰ হাজাৰ লোকৰ আত্মহত্যা, এমাহতেই ছিয়াং ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত

নিশ্চিহ্ন হল ৩ খনকৈ গাঁও, Vision Document being prepared for North East, কংগ্ৰেছৰ ভুলৰ পুনৰাবৃত্তি নকৰি আদৱানীৰ নীতি অনুসৰণ কৰিবলৈ বিজেপিৰ নেতা আৰু কৰ্মীক আহবান নীতিন গাদকাৰিৰ, জীয়াভৰলী নৈৰ চকীঘাট দলঙত দুটা দুৰ্ঘটনাত তিনিজন নিহত ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত